**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধবনিৰে সম্ভাষণ জনোৱা হ'ব। গণৰাজ্য দিৱস উপলক্ষে কৰ্তব্যপথত হ'বলগীয়া পেৰেডত সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথি উপস্থিত থাকিব। পেৰেডত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্পৰ্শকাতৰ স্থানসমূহকে ধৰি বিভিন্ন নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এয়া আছিল অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। আজিৰ অনুষ্ঠানত ভোটদাতাসকলক গণতন্ত্ৰৰ আত্মা বুলি প্ৰধানমন্ত্ৰীয়ে অভিহিত কৰে। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযানৰ কথা উল্লেখ কৰি অসমৰ নগাঁৱৰ কেইগৰাকীমান ব্যক্তিয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গ্ৰহণ কৰা পদক্ষেপক বিশেষভাৱে উল্লেখ কৰে। এই লোকসকলে নগাঁও চহৰৰ অলিয়ে-গলিয়ে গোট খাই থকা বহু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশৰ কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ইটানগৰৰ যুৱ সংগঠনে ৰাজহুৱা স্থানত এই অভিযান আৰম্ভ কৰি নাহৰ লগুণ, দৈমুখ, চেপা, পালিন, পাচিঘাটকে ধৰি অনেক এইবোৰ ঠাইত প্ৰায় ১১ লাখ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ আৱৰ্জনা পৰিষ্কাৰ কৰে। প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে প্ৰচাৰ কৰা হৈছে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হয়। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰে।

০০০০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি শিৱসাগৰ জিলাত ডিমৌ, শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী, ২০২৫ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই সন্দৰ্ভত শিৱসাগৰ জিলা নিৰ্বাচনী বিষয়াই এখন জাননী জাৰি কৰিছে। জাননী অনুসৰি ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি, নাম সংশোধন, স্থানান্তৰ বা নাম কৰ্তনৰ বাবে আবেদন, অনলাইন আৰু অফলাইন দুয়োটা পদ্ধতিতে গ্ৰহণ কৰা হ'ব।

অফলাইনযোগে দাখিল কৰা আবেদনসমূহ বি এল অ' এপৰ জৰিয়তে অনলাইনত অন্তৰ্ভুক্ত কৰা হ'ব আৰু পাছত বি এল অ' গৰাকীয়ে ক্ষেত্ৰ অধ্যয়ন কৰি আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব। প্ৰথম পৰ্যায়ৰ আবেদন গ্ৰহণ আৰু পাছৰ পৰ্যায়ত ই আৰ অ'ৱে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। কোনো ব্যক্তি বা এজেণ্টক আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে ধন দিয়াৰ প্ৰয়োজন নাই বুলি জাননীত স্পষ্টকৈ উল্লেখ কৰা হৈছে। ভোটদাতাসকলে ভোটাৰ হেল্পলাইন এপ ব্যৱহাৰ কৰি নিজৰ নাম ভোটাৰ তালিকাত আছেনে নাই সহজে পৰীক্ষা কৰিব পাৰিব।

০০০০০০০

অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে আজি মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ কৰা হয়। তিনিচুকীয়া জিলাৰ ডুমডুমাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আঁচনিখন মুকলি কৰাৰ পূৰ্বে এই অনুষ্ঠানতে দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠানটি সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত ৰাজ্যৰ ৮৩৬ খন চাহ বাগিচাৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীক ৫ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। ৰাজ্যৰ প্ৰতিখন জিলাতে আয়োজিত বিশেষ কাৰ্যসূচীত মন্ত্ৰী তথা বিধায়কসকলে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে।

০০০০০০০০

দীঘলীপুখুৰীৰ পৰা নুনমাটীলৈ নিৰ্মীয়মান উৰণ সেতুখন চানমাৰী উৰণ সেতুৰ সৈতে সংযোগ কৰণৰ কাম চলি থকাৰ পৰিপ্ৰেক্ষিতত উৰণ সেতুখনেৰে পৰৱৰ্তী কিছু দিনলৈ যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰা হ'ব। মহানগৰ যান-বাহন আৰক্ষীয়ে কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি কালিনিশাৰে পৰা উৰণ সেতুখনৰ এটা পথেৰে যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হৈছে। বিকল্প পথ হিচাপে এই যান-বাহনসমূহে ৰাজগড়-ভঙাগড় পথেৰে যাত্ৰা কৰিব পাৰিব বুলি গুৱাহাটী মহানগৰ যান-বাহন শাখাৰ উপ আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰে। সকলো দিশ চালিজাৰি চাই আৰু জনসাধাৰণৰ মতামত গ্ৰহণ কৰি বিকল্প পথৰ ব্যৱহাৰ আৰু যানবাহন চলাচলৰ নিৰ্দেশনা দুই-এদিনতে জাৰি কৰা হ'ব বুলি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পালে সংবাদমেলত প্ৰকাশ কৰে।

০০০০০০০

———ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। আজি হ'বলগীয়া খেলখনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০০

**সমাপ্ত**